## Assamese Department, Nonoi College.

**Seminar of *Gowalpariya Loka-Sanskriti Adhyana* /2018**

### অসমীয়া বিভাগৰ উদ্যোগত
### 'গোৱালপৰীয়া লোক-সংস্কৃতি অধ্যয়ন' শীৰ্ষক আলোচনা সত্ৰ
### ১৯ এপ্ৰিল,২০১৮

গোৱালপাৰা নামনি অসমৰ এখন ঐতিহ্যবাহী ঠাই ।কোচ ৰাজবংশী লগতে বিভিন্ন জাতি-জনগোষ্ঠী অধ্যুষিত ঠাইখন লোকসংস্কৃতিৰ মেটমৰা সম্পদেৰেও চহকী । গোৱালপাৰা অঞ্চলৰ লোকসাহিত্য আৰু সংস্কৃতি সম্পৰ্কে অধ্যয়নৰ উদ্দেশ্য আগত ৰাখি ননৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয়ত ইংৰাজী ১৯ এপ্ৰিল,২০১৮ তাৰিখে 'গোৱালপৰীয়া লোকসংস্কৃতিৰ অধ্যয়ন' শীৰ্ষক এখনি আলোচনা সত্ৰ অনুষ্ঠিত হয় । অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপকসকলৰ তত্বাৱধানত বিভাগৰ ৬ষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ যোগেদি প্ৰস্তুত কৰা গোৱালপাৰাৰ বয়ন শিল্প,মৃৎ শিল্প,কুঁহিলা শিল্প আৰু গোৱালপৰীয়া লোক সংগীত আদি বিষয় ভুক্ত আলোচনা সত্ৰখনি সঞ্চালনা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰীতা শৰ্মাই । আলোচনা সত্ৰখনিত বিভাগৰ ৬ষ্ঠ ষান্মাসিকৰ নয়মমণি শইকীয়া,নীলাক্ষি বৰা,মানস দাস, ইন্দ্ৰানী মেধি, চিন্ময়ী শইকীয়া, নীলাক্ষি বৰা,কংকনা বৰা ৰুলী গায়ন,তৃষ্ণা বৰা আদি ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি গোৱালপাৰা অঞ্চলৰ লোকসংস্কৃতি বিষয় সমৃদ্ধ বিবিধ আলোচনা পত্ৰ পাঠ কৰে । ননৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে দেৱযানী বৰা, চফিয়া জাহান, ৰাতুল শইকীয়া, ড০ আব্দুল হাকিম আৰু অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা ৰুণু দেৱী, ড০ বসন্ত বৰা; অতিথি অধ্যাপিকা অঞ্জুমণি বৰা, প্ৰিয়াংকী বৰা প্ৰমুখ্যে বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে । ড০ বসন্ত বৰাই আঁত ধৰা সত্ৰখনি সঞ্চালক মহোদয়ৰ সাৰগৰ্ভ বক্তব্যৰে সামৰণি পৰে ।

**Assamese Department, Nonoi College.**

**Seminar of *Gowalpariya Loka-Sanskriti Adhyana* /2018**

## Photographs:



**Paper Presentation**




**Journey to Gowalpara**